# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ৯৩ এপ্রিলত মছজিদ বশ্বাৰত, পিডৰো আবাদ, স্পেইনত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই যুগত পৃথোৱীখন চাৰিও ফালেৰে দন্ধ বিবাদে ভৰি পৰিছে। কৰবাত ধৰ্মৰ নামত আকৌ কৰবাত শক্তি পৰীক্ষাৰ দন্ধত নিজকে প্ৰতিপত্তিশালী প্ৰমাণাৰ্থে বিবাদৰ উদ্ৰেক হৈছে। কৰবাত দৰিদ্ৰতা আৰু ঐশ্বৰ্য্যৰ মাজত থকা বিভাজনে আকৌ কৰবাত ৰাজনৈতিক সংগঠন সমুহৰ শাসনৰ ভাগডোৰ দখলৰ খোৱা-কামুৰাই দন্ধৰ জন্ম দিছে। এনেকৈ কৰবাত ঘৰখনতে সৰু-সৰু কথাৰ ওপৰতে বিবাদ আৰু এজনে আনজনৰ অধিকাৰ খৰ্ব কৰাৰ ফলত কাজিয়াৰ সৃষ্টি হৈ আছে। আকৌ কৰবাত নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ভূল পদ্ধতি অৱলম্বন কৰাৰ ফলত দন্ধ-বিবাদৰ সুত্ৰপাত হৈ আছে। মুঠতে যি ফালেই চাব দেখিবলৈ পাব যে পৃথিৱীখনক বিবাদে আৱৰি পেলাইছে। ধনী-দুখীয়া কোনেও আজি ইয়াৰ পৰা নিৰাপদ নহয়। উন্নত দেশবোৰ এই অৱস্থাৰ পৰা নিৰাপদ নে, না, দুখীয়া অনুন্নয় দেশ সমুহ নিৰাপদ। যিয়েই নহওক, মানুহে বৰ্তমান যুগত নিজকে নিজে উন্নতশীল বুলি ভাৱে এয়া ভাৱে যে বৰ্তমান যুগ শিক্ষা, প্ৰজ্ঞা আৰু পোহৰৰ যুগ কিন্তু প্ৰকৃততে এয়া এন্ধাৰত ডুব গৈ আছে। খোদা তায়লাক পাহৰি গৈ জাগতিক উৎকৰ্ষতাক নিজৰ উপাস্য আৰু পালন কৰ্তা বুলি ভাৱি ধংসৰ কচ়াল গ্ৰসলৈ আগবাঢ়ি গৈ আছে, বৰং তাৰ ওচৰ পাইছেগৈ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, মুছলমান সকললৈ আশ্বৰ্য্য জনক এয়া যে, যাৰ ওচৰত এখন লিপিবদ্ধ আৰু সম্পূৰ্ণ কিতাপ তাৰ আচল অৱস্থাত জমা আছে আৰু আকৌ আল্লাহ তায়লা নিজৰ প্ৰতিশ্ৰুতি অনুসৰি এই যুগত যুগ ইমামক প্ৰেৰণ কৰিছে, যিজনে আহি মতানৈক্যৰ সংশোধন কৰিবলৈ আহিছে। কিন্তু মুছলমান সকলে সেই খোদা প্ৰেৰিত সাধু ব্যক্তিৰ কথা শুণাৰ সলনি বেছি ভাগেই ধৰ্মৰ নামত বিবাদৰ জন্ম দিয়া উলামা সকলৰ পিছে-পিছে চলি আছে। আল্লাহ তায়লা পৃথিৱীৰ দন্ধ-বিবাদৰ অন্ত পেলাবলৈ আৰু পাৰস্পৰিক ভালপোৱা আৰু ভাতৃত্ববোধৰ জন্ম দিবলৈ আৰু খোদা তায়লাক চিনি পাবলৈ ত্ৰটা ব্যৱস্থা কৰিছিল কিন্তু মুছলমান সকলে তালৈ মনোযোগ দিবলৈ সাজু নহয়, যাৰ ফলত আজি মুছলমান বিশ্বত আটাইতকৈ বেছি দন্ধ বিবাদত পৰিলক্ষিত হৈছে। তেওঁলোকৰ দ্বীনি আৰু জাগতিক পথ প্ৰদৰ্শক সকলেই তেওঁলোকক এন্ধাৰলৈ ঠেলি দিব ধৰিছে। এখন দেশৰে বাসিন্ধা হৈ এজনে আনজনৰ প্ৰাণ নাশী শত্ৰু হৈ পৰিছে। লগতে এই সুযোগ পাই অ-মুছলমান শক্তিবিলাকে মুছলমান দল, সংগঠন বোৰক পস্পপৰৰ মাজত বিবাদ কৰিবলৈ আৰু নিজৰ লাভ আদায় কৰিবলৈ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ যোগান দিয়ে। গতিকে এয়া বৰ দুঃখজনক, এই অৱস্থাৰ বাবে আমি সাধাৰণ মুছলমান সকলে দোৱাৰ ফালে মনযোগ দিয়া উচিত। ইয়াত আমি নিজৰ আমল আৰু আধ্যাত্মিক অৱস্থা এনেকুৱা বনাব লাগিব যেনেকুৱা হজৰত মছিহ মাওউদ (আঃ) য়ে আমাৰ পৰা দেখিব বিচাৰিছে। যদি আমাৰ আমলৰ (কৰ্ম) অৱস্থা হজৰত মছিহ মাওউদ (আঃ) য়ে দেখিব বিচৰা মতে নহয় তেন্তে যথাসম্ভৱ আমিও গৈ সেই দলত অন্তৰ্ভুক্ত হ'ব লাগিব, যিয়ে দন্ধ বিবাদত লিপ্ত হৈ আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে সদায় নিজৰ জমাতক উপদেশ কৰি গৈছে যে বয়াতৰ পিছত তোমালোকৰ অৱস্থা কেনেকুৱা হোৱা উচিত ? এতিয়া মই এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) ৰ কিছুমান বিবৃতি উল্লেখ কৰিম। যি কথাবোৰে উল্লেখিত সমস্যাৰ ফালে মনযোগ আকৰ্ষণ কৰিব। গতিকে আমি এই কথাবোৰ চিন্তাৰে সৈতে গমি চাব লাগিব। কোনেও এয়া নাভাবিব যে আগতেও এই কথাবোৰ বহুত শুনিছো বা পঢ়িছো। যিদৰে ক্ৰমান্বয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে বাৰে-বাৰে জমাতক নিজৰ অৱস্থা উন্নত মানলৈ নিবলৈ শিক্ষা দিছে, ইয়াৰে পৰা বুজা যায় যে তেখেত (আঃ) ৰ জমাতৰ প্ৰতি কিমান চিন্তা আছিল, যে এওঁলোকে কেনিবাকৈ যেন নিজৰ উদ্দেশ্য পাহৰি নাযায়। বয়াত কৰাৰ পিছত আকৌ যেন ইহঁতৰ মাজত ভাঙন নধৰে আৰু যেন এন্ধাৰৰ ফালে যাবলৈ আৰম্ভ নকৰে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে, এই ঘোৰ অন্ধকাৰৰ যুগত আমাৰ জমাতৰ বাবে প্ৰয়োজনীয়তা হ'ল যে, যেতিয়া চাৰিওফালে অজ্ঞতা, অলসতা আৰু পথভ্ৰষ্টতাৰ প্ৰবল ধুমুহা চলিব বা চলি আছে। সেয়ে তাকওয়া ধাৰণ কৰা। পৃথিৱীৰ অৱস্থা এনে হৈছে যে আল্লাহ তায়লাৰ নিৰ্দেৰ্শ সমুহৰ কোনো মৰ্যদা নাই। অধিকাৰ আৰু অধিকাৰ প্ৰৰ্দানলৈ ভ্ৰুক্ষেপ নাই। এওঁলোকে এয়াও নেজানে যে আমাৰ কি কৰ্ত্তব্য আৰু আমি কেনেকৈ এই কত্তৰ্য্য পালন কৰিম। জাগতিক কামলৈ সীমাহীন মনযোগ দি থাকে। পাৰ্থিৱ ভাৱে কোনো

লোকচান দেখিলে ধৰ্মীয় বিষয়টো এৰি দি বহে আৰু আল্লাহ তায়লাৰ হ'ক আওকাণ কৰে। লোভ-লালসাৰ অভিসন্ধিৰে এজনে আনজনৰ ওচৰলৈ আহে। প্ৰবৃত্তিৰ চাহিদাৰ আগত সকলোৰে বৰ দুৰ্বল পৰিলক্ষিত হৈ আছে। সামান্য বিষয় এটাতে প্ৰবৃত্তিক আগ্ৰহে জয়লাভ কৰি উঠে। যেতিয়ালৈকে খোদা তায়লা কাৰোবাক দুৰ্বল কৰি ৰাখে তেতিয়ালৈ তেওঁ গোনাহ সংগঠিত কৰাৰ সাহস নকৰে। কিন্তু যেতিয়াই সেই দুৰ্বলতা নোহোৱা হয় আৰু গোনাহ কৰাৰ সুবিধা আহি যায় তৎক্ষণাত সেই গোনাহত লিপ্ত হৈ পৰে। উল্লেখ কৰে যে বৰ্তমান যুগত প্ৰত্যেক্য ঠাইত বিচাৰিলে দেখিবলৈ পোৱা যায় যে প্ৰকৃত তাকওয়া নোহোৱা হৈ গৈছে আৰু প্ৰকৃত ঈমান মুঠেই নাই। কিন্তু যিহেতু খোদা তায়লাৰ ইচ্ছা হ'ল যে তাৰ প্ৰকৃত তাকওয়া আৰু ঈমান কেতিয়াও নষ্ট হ'ব নিদিয়ে। যেতিয়া তেওঁ দেখিবলৈ পায় যে শস্য ধংস হ'বলৈ লৈছে তেতিয়া বেলেগ শস্যৰ জন্ম দিয়ে। উল্লেখ কৰে যে সেই হুবহু কোৰ'আন আজিও বিদ্যমান যেনেকৈ আল্লাহ তায়লা কৈছে اِنَّا نَحۡنُ نَزَّلۡنَا الذِّكۡرَ وَاِنَّا لَهٗ لَحٰفِظُوۡنَ যে আমিয়েই এই জিকিৰ (বাণী) অৱতীৰ্ণ কৰিছো আৰু আমিয়েই ইয়াক ৰক্ষণা বেক্ষণ কৰিম। আনহাতে বহুতো হাদীছ সংৰক্ষিত আছে আৰু বৰকাতও আছে অথচ হৃদয়ত ঈমান আৰু আমল মুঠেই নাই। খোদা তায়লা ইয়াৰ বাবেই মোক প্ৰেৰণ কৰিছে যাতে এই বিষয় সমূহ আকৌ জন্ম লয়। খোদা তায়লা  কেতিয়াও পছন্দ নকৰে যে এই পথাৰ শূন্য পৰি থাকক। যদি পঙ্কিলতাই বিস্তাৰ লাভ কৰি থাকে তেন্তে আল্লাহ তায়লাৰ আগ্ৰহ উপজে যে আকৌ এনেকুৱা লোকৰ জন্ম দিয়ে যে যিসকলে দ্বীনক দুনীয়াৰ ওপৰত প্ৰাধান্য দিয়ে। যি সকলে দ্বীনৰ আৰম্ভনী কৰোঁতা হয়, দ্বীন বিস্তাৰ কৰোঁতা হয় আৰু ধৰ্মৰ ওপৰত আমল কৰোঁতা হয়। যাৰ ফলস্বৰূপে আমাৰ তবলিগ হ'ল যে তাকওয়া ধাৰী জীৱণ গঠিত কৰা হওঁক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে যদি প্ৰকৃত বয়াত কৰিছে তেন্তে প্ৰাণৱন্তৰ মাজত অন্তৰ্ভুক্ত হ'ব লাগিব, আধ্যাত্মিক ভাৱে জীৱন্ত হোৱাৰ মাজত চামিল হ'ব লাগিব নহলে একো সাৰ্থকতা নাই। ইছলামৰ প্ৰকৃত গুঢ়াৰ্থ কি আৰু আমি তাক কেনেকৈ অৰ্জন কৰিম, সেই সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; আল্লাহ তায়লা কোৱা  কথাখিনি তলত আহি যোৱাৰ নামেই হ'ল ইছলাম আৰু ইয়াৰ অৰ্থ হ'ল খোদা তায়লাৰ সত্য আনুগত্য কৰা, আৰু সম্পূৰ্ণ আনুগত্যশীল হোৱা। যেনেকৈ কৈছে مَنۡ اَسۡلَمَ وَجۡهَهٗ لِلّٰهِ وَهُوَ مُحۡسِنٌ অৰ্থাৎ মুছলমান হ'ল সেইজন, যিজনে নিজৰ সম্পূৰ্ণ সত্তা আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জনাথে উচ্চৰ্গা কৰি দিয়ে আৰু বিশ্বাস আৰু আমলৰ উদ্দেশ্য একমাত্ৰ আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰাই হয় আৰু তাৰ দ্বাৰা সম্পাদিত সকলো নেকি আৰু সুন্দৰ আমল যেন কষ্টকৰ আৰু অনিচ্ছা সত্বেও বাধ্য হৈ কৰা নহয় বৰং তাত এটা তৃপ্তি লাভৰ চেষ্টা যেন নিহিত থাকে। সত্য মুছলামন এজনক যদি কোৱা হয় যে তোমাৰ এই আমলৰ ফলস্বৰূপে একোৱে নোপোৱা তথাপি তেওঁ নিজৰ নেক আমল আৰু আল্লাহ তায়লাক ভাল পাবলৈ কেতিয়াও এৰিব নোৱাৰে। এয়াই হ'ল আল্লাহৰ প্ৰতি নিস্বাৰ্থ প্ৰেম যি তেখেত (আঃ) য়ে মানুহৰ মাজত জন্ম দিব বিচাৰিছে। লাগিলে একোৱে নিমিলক তথাপি আল্লাহৰ প্ৰতি যেন প্ৰেম থাকে, তাৰ উপাসনা কৰা, তাৰ লগত সম্পৰ্ক ৰখা, আনুগত্য কৰা আৰু বিশ্বাস কৰাটো কোনো ফল লাভৰ আশাত হ'ব নালাগে বৰং তেওঁ নিজৰ সত্তাটো এনেকুৱা এটা বস্তু বুলি ভাবিব লাগে যে এয়া প্ৰকৃততে খোদা তায়লাক চিনি পাবলৈ তাক ভাল পাবলৈ আৰু আনুগত্যৰ বাবে বনোৱা হৈছে আৰু বেলেগ কোনো উদ্দেশ্য নাই। গতিকে যেতিয়া তেওঁ খোদা প্ৰদত্ত শক্তি এই উদ্দেশ্য সমূহ আগত ৰাখি প্ৰয়োগ কৰিব তেতিয়া তেওঁ তাৰ প্ৰকৃত ভালপোৱা জনৰ প্ৰতিচ্ছবি দেখিবলৈ পাব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, হজৰত মছিহ মাওউদ (আঃ) য়ে বৰ্ণনা কৰিছে যে আল্লাহ তায়লাৰ আদেশৰ পূৰ্ণ আনুগত্য কৰা আৰু তাৰ সন্তুষ্টি অৰ্জন কৰা সহজ কাম নহয়। এয়া লাভৰ বাবে যৎপৰনাস্তি চেষ্টা কৰিব লাগিব তেতিয়াহে আহমদী হোৱাৰ উদ্দেশ্য পূৰ্ণ হ'ব। সেয়ে তেখেত (আঃ) য়ে কৈছে, যিজনে পূৰ্ণ আনুগত্য নকৰে, তেওঁ এই ছিলছিলাক বদনাম কৰি আছে। আদেশ এটা নহয় বৰং বহু আদেশ আছে যেনেকৈ বেহেস্তৰ কেইবাটাও দৰ্জা আছে, কোনোৰে তাৰ কোনো এটা দৰ্জাৰে ভিতৰত সোমাব পাৰে। এনেদৰে দোজখৰও কেইবাটাও দৰ্জা আছে, এনেকুৱা নহয় যে তুমি এটা দুৱাৰ বন্ধ কৰি আনটো খুলি ৰাখিবা। উল্লেখ কৰে যে, মনত ৰাখিবা কেৱল নাম তালিকাত লিখি ললেই তেওঁ জমাতৰ অন্তৰ্ভূক্ত নহয়। ভাতৃত্ববোধৰ জন্ম দিয়া, অধিকাৰ খৰ্ব নকৰিবা। খোদা তায়লাৰ বাটত পাগলৰ দৰে বিচৰণ কৰা খোদা তোমাৰ ওচৰত কৃপা কৰক।

এবাৰ তাকওয়াৰ গুৰুত্ব সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে, খোদা তায়লা মোক যিটো বিষয়ৰ কাৰণে প্ৰত্যাদিষ্ট কৰিছে সেয়া হ'ল এয়া যে তাকওয়াৰ ময়দান শূন্য হৈ পৰিছে। ধৰ্ম প্ৰচাৰ কৰিব লাগে, ধৰ্মীয় তবলিগ কৰিব লাগে। ইয়াৰ বাবে পোনতে নিজৰ ভিতৰত তাকওয়াৰ জন্ম দিব লাগিব। তাকওয়া হলেহে সকলো কাম লাহে-লাহে আৰম্ভ হৈ পৰিব। যদি তুমি তাকওয়াদাৰ হোৱা তেন্তে গোটা দুনীয়া তোমাৰ লগত থাকিব। গতিকে তাকওয়াৰ জন্ম দিয়া। যিজনে মদ পান কৰে বা যাৰ ধৰ্মত মদ মৰ্যদাৰ এটা অংশ, তাকওয়াৰ সৈতে তাৰ কোনো সম্পৰ্কেই নাই। তেওঁলোকে নেকিৰ সৈতে যুঁজ দি আছে। গতিকে যদি আল্লাহ তায়লা আমাৰ জমাতক এনেকুৱা সৌভাগ্য দান কৰে আৰু তৌফিক দান কৰে যে এওঁলোকে গোনাহৰ সৈতে যুঁজ দিয়ে আৰু তাকওয়াৰ ময়দানত উন্নতি সাধন কৰে তেন্তে এয়াই হ'ব ডাঙৰ

কৃতকাৰ্য্যতা। উল্লেখ কৰে যে বৰ্তমানে বিশ্বৰ গোটেই ধৰ্ম বিলাকৰ আচল যি উদ্দেশ্য তাকওয়া সেয়া লুপ্ত হৈ পৰিছে আৰু পাৰ্থিৱ সম্ভাৰক খোদা বনাই দিয়া হৈছে। প্ৰকৃত খোদা লুকাই পৰিছে আৰু সত্য খোদাক অৱমাননা কৰা হৈ আছে। কিন্তু এতিয়া খোদা তায়লা বিচাৰিছে যে তেওঁক মানি লোৱা যাওঁক আৰু দুনীয়ায় তাক চিনি পাওক । গতিকে প্ৰত্যেকেই নিজকে বিচাৰ কৰা উচিত যে তেওঁ খোদা তায়লাৰ হ'ক আদায় কৰাৰ সলনি জাগতিক উদ্দেশ্য পূৰণৰ চেষ্টা কৰিছে নেকি ? যদি খোদা তায়লাৰ হ'ক আদায় কৰিব বিচৰা তেন্তে ধৰ্মক প্ৰাধান্য দিব লাগিব আৰু পাৰ্থিৱ উদ্দেশ্য সমুহ ত্ৰৰিব লাগিব। গতিকে আমি দেখিব লাগিব যে আমি ধৰ্মক গুৰুত্ব দিছো নে পাৰ্থিৱ উদ্দেশ্যই আমাৰ ধৰ্মৰ ওপৰত জয়লাভ কৰিছে। তাকওয়াৰ ক্ষেত্ৰত আমি আগবাঢ়িছো নে তাকওয়া কমি গৈ আছে। সৌভাগ্যশীল জনৰ বাবে ফৰজ হ'ল যে তেওঁ দ্বীনৰ অধ্যয়নত লাগি থাকে। আমাৰ নবী (ছাঃ) তকৈ পূৰ্ণ মানৰ পৃথিৱীত কোনেও পাৰ হোৱা নাই, তথাপি তেখেত (ছাঃ) ক رَبِّ زِدْنِيْ عِلْمًا দোৱা শিক্ষা দি গৈছিল। গতিকে এনে কোন আছে যে নিজৰ তত্ত্ব জ্ঞান আৰু বিদ্যা শিক্ষাৰ ওপৰত সম্পূৰ্ণ ভৰষা কৰি বহি থাকিব পাৰে আৰু ভৱিষ্যত উন্নতিৰ প্ৰয়োজন বোধ নকৰে। যিমানেই মানুহে শিক্ষা আৰু তত্ত্ব জ্ঞানৰ বাটত আগবাঢ়িব সিমানেই অনুমান কৰিব পাৰিব যে এতিয়াও বহু কথাৰ সমিধান বাকী ৰৈ আছে।

তেখেত (আঃ) য়ে কৈছ যে; তোমালোকে বহুতো ভিত্তিহীন বিষয়বোৰ এৰি দি এই ছিলছিলা গ্ৰহন কৰিছা এতিয়া যদি এই বিষয়ে পূৰ্ণ জ্ঞান অৰ্জন নকৰা তেন্তে ইয়াত আহি কি লাভ হ'ল। যেনে প্ৰথমে হজৰত মছিহ মাওউদ (আঃ) য়ে কোৰ'আন কৰিমৰ ওপৰত চিন্তা-ভাৱনা কৰাৰ উপদেশ দিছে এনেদৰে তেখেত (আঃ) ৰ কিতাপ পঢ়াৰ আৰু ধৰ্মীয় জ্ঞান বঢ়োৱাৰ ফালে আমি মন দিয়া উচিত লগতে খিলাফতৰ সৈতে সম্পৰ্ক গঢ়াৰ চেষ্টা কৰিব লাগিব। আল্লাহ তায়লা ইয়াৰ বাবে আমাক যি এম.টি.এ. ৰ নিয়ামত দান কৰিছে, তাৰ জৰিয়তে যোগাযোগ ৰখা উচিত আৰু খলিফা ওয়াক্তৰ প্ৰোগ্ৰাম সমুহৰ পৰা লাভ আহৰণ কৰা উচিত।

পৰস্পৰে প্ৰেম ভালপোৱা আৰু পৰস্পৰে পৰস্পৰৰ অধিকাৰ প্ৰদানৰ প্ৰতি মনযোগ আকৰ্ষণ কৰিবলৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; আচল কথা হ'ল এয়া যে ভিতৰীয়া ভাৱে গোটেইখন জমাত এটা শ্ৰেনীত অৱস্থান কৰা নাই। গতিকে এয়া নিয়ম হোৱা উচিত যে দুৰ্বল ভাই সকলক সহায় কৰা হওঁক, তেওঁলোকক শক্তি দিয়া যাওঁক। কোৰ'আন কৰিমত উল্লেখ আছে وَتَعَاوَنُوْا عَلَى الْبِرِّ وَالتَّقْوٰى যে নেকি আৰু তাকওয়াৰ ক্ষেত্ৰত এজনে আনজনক সহায় কৰা। উল্লেখ কৰে যে দুৰ্বল ভাই সকলৰ বোজা বহন কৰা আৰু আমল, ঈমান আৰু ধন মালৰ দুৰ্বলতাত ভাগ লৈ সহায় কৰা। কোনো জমাত এটা জমাত হ'ব নোৱাৰে যেতিয়ালৈকে শক্তিমান সকলে দুৰ্বলক আশ্ৰয় নিদিয়ে। ইয়াৰ অৰ্থ হ'ল তেওঁলোকৰ সকলো দুৰ্বলতা ঢাকি ৰাখিব লাগিব। চাহাবা সকলক শিক্ষা দিয়া হৈছিল যে নতুন মুছলমান সকলৰ দুৰ্বলতা দেখি সিহঁতক দুঃখ নিদিবা কাৰণ তোমালোকৰ মাজতো এনে দুৰ্বলতা আছিল। সেই জমাত, জমাত হ'ব নোৱাৰে য'ত এজনে আনজনক হিংসা কৰে আৰু কেইজনে একেলগে বহিলে আন এজন দৰিদ্ৰ ভায়েকৰ চৰ্চা কৰে। মেল-মিলাপত একতাৰ জন্ম দি সাংগঠনিক শক্তি বঢ়াব লাগিব কাৰণ ইয়াৰ দ্বাৰা ভালপোৱাৰ উদ্ৰেক হয় আৰু বৰকত (কল্যাণ) ৰ জন্ম হয়। উল্লেখ কৰে যে সৰু-সৰু কথাবোৰ ধৰি থাকিব নালাগে এয়াই হৃদয়ক সঙ্কীৰ্ণ কৰে আৰু দুঃখৰ কাৰণ হৈ পৰে।

আকৌ ভাতৃত্ববোধ আৰু সহানুভূতিৰ উপদেশ দিবলৈ গৈ তেখেত (আঃ) য়ে কৈছে যে, আমাৰ জমাতৰ সতেজতা নাহে যেতিয়ালৈকে পৰস্পৰে প্ৰকৃত সহানুভূতিশীল নহয়। যিজনক শক্তি দিয়া হৈছে তেওঁ দুৰ্বলক ভাল পাব লাগিব। মই যেতিয়া এয়া শুনিবলৈ পাওঁ যে এজনে আন কোনো এজনৰ দুৰ্বলতা দেখিবলৈ পালে তেওঁ তাৰ লগত ভাল আচৰণ নকৰে বৰং হিংসা আৰু ঘৃণা কৰে কিন্তু আচলতে উচিত হ'ল তাৰ বাবে দোৱা কৰা, ভালপোৱা আৰু কোমল আচৰণেৰে তাক বুজাই দিয়া। কিন্তু এয়া নকৰি, ইয়াৰ সলনি হিংসাত ভৰি পৰে। যদি এজনে আনজনৰ প্ৰতি দয়া নকৰে, সহানুভূতি নেদেখোৱায় তেন্তে পৰ্যায়ক্ৰমে গৈ ফল বেয়া ওলায়। জমাত তেতিয়াহে সুগঠিত হয় যেতিয়া এজনে আনজনৰ হিত চিন্তাৰে সহানুভূতি আগবঢ়ায়। উল্লেখ কৰে যে খোদা তায়লাৰ ওপৰত মোৰ পূৰ্ণ ভৰষা আছে, তেওঁ প্ৰতিশ্ৰুতি দিছে যে جَاعِلُ الَّذِيْنَ اتَّبَعُوْكَ فَوْقَ الَّذِيْنَ كَفَرُوْٓا اِلٰى يَوْمِ الْقِيٰمَةِ - অৰ্থাৎ সেই লোক সকলক যি সকলে তোমাৰ আনুগত্য কৰিছে, সেই লোক সকলৰ ওপৰত, যি সকলে অমান্য কৰিছে, কিয়ামতৰ দিন পৰ্যন্ত বিজয়ী কৰি ৰাখিম।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, বৰ্তমানে পাকিস্থানী আহমদী সকলে এই বিষয়ে দৃষ্টি দিয়া উচিত আৰু দুৰ্বলতা সমূহ দুৰ কৰা উচিত ইফালে চৰকাৰে, আইন আদালতে, আৰু ব্যৱস্থাপনা আদিয়ে তেওঁলোকৰ বিৰুদ্ধে আগতকৈ আৰু বেছি সক্ৰিয় হৈ পাৰিছে। গতিকে অলপতে বিশেষকৈ নিজৰ-নিজৰ অৱস্থাত পৰিবৰ্তন সাধন কৰাৰ চেষ্টা কৰক। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; এতিয়াৰ পৰা তোমালোকৰ মাজত এটা নতুন সম্পৰ্ক আৰু ভাতৃত্ব প্ৰতিষ্ঠিত হ'ল। আগৰ ছিলছিলা বন্ধ হৈ গৈছে। খোদা তায়লা এয়া এক নতুন কউমৰ পাতনি মেলিছে য'ত ল'ৰা, বুঢ়া, ধনী, দুখীয়া সকলো ধৰণৰ লোক চামিল আছে। গতিকে দৰিদ্ৰ ভাই সকলে ধনী প্ৰতিষ্ঠিত ভাই সকলক

সন্মান দিয়া কতৰ্ব্য। আনহাতে ধনী, আমিৰ সকলৰ কৰ্তব্য হ'ল তেওঁলোকে দৰিদ্ৰ ভাই সকলক সহায় কৰা, তেওঁলোকক ভিক্ষাৰী আৰু নিস্ব বুলি নাভাৱিব। কিচতি নুহ কিতাপখন বাৰে-বাৰে পঢ়ক আৰু নিজকে সেই মতে গঢ়ি লওঁক। قَدْ أَفْلَحَ مَن زَكَّىٰهَا অৰ্থাৎ নিশ্চয় তেওঁ উৰ্ত্তীৰ্ণ হৈ গৈছে যিজনে নিজৰ প্ৰবৃত্তিক পৱিত্ৰ কৰি লৈছে। তেখেত (আঃ) য়ে কৈছে যে মই কিচতি নুহ কিতাপত মোৰ নিজৰ শিক্ষা লিখী থৈছো, সেয়া সকলোৰে জনা প্ৰয়োজন আৰু সকলো জমাতত জলছা অনুষ্ঠিত কৰি এয়া শুনাই দিয়ক। সেই হিচাপেই উক্ত কিতাপখন ছপা হৈ ওলাব আৰু মই বিচৰা মতেই জমাতত একতাৰ জন্ম হ'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে য'ত এয়া পঢ়া আৰু শুনোৱাৰ ব্যাৱস্থা কৰা হয় লগতে সেই জমাতত এম.টি.এ. ৰ মাধ্যমতও পঢ়াৰ ব্যাৱস্থা হোৱা উচিত। প্ৰত্যেকেই উক্ত পুথিখন নিজৰ জীৱণৰ অংশ বনাই লওঁক। নিজে পঢ়ি, বুজি সেই অনুসাৰে আমল কৰাৰ চেষ্টা কৰা উচিত। পঙ্কিলতাৰ হাতসাৰি যোৱাৰ শিক্ষা আৰু প্ৰকৃত আহমদীৰ চিহ্ন বৰ্ণনা কৰোঁতে তেখেত (আঃ) য়ে কৈছে যে এতিয়া তোমালোকৰ কাম হ'ল, দোৱা, ইস্তেগফাৰ, ইবাদতে ইলাহি আৰু প্ৰবৃত্তিৰ পৱিত্ৰ কৰণত লিপ্ত হৈ যোৱা।

এনেদৰে নিজকে নিজে খোদা তায়লাৰ অনুগ্ৰহ আৰু দয়াৰ যিবিলাকৰ তেওঁ প্ৰতিশ্ৰুতি দিছে, অধিকাৰী হৈ যোৱা। যিহেতু আল্লাহ তায়লা মোৰ লগত ডাঙৰ-ডাঙৰ প্ৰতিশ্ৰুতি  আৰু ভৱিষ্যতবানী আছে, সেইবোৰলৈ বিশ্বাস আছে যে সেয়া পূৰ্ণ হ'ব কিন্তু তোমালোকে অযথাই তাৰ ওপৰত মগযুৰ নহবা। সকলো ধৰণৰ ঈৰ্ষা, হিংসা, বিদ্বেষ বদনাম, ঠগ, প্ৰৱঞ্চণাৰ প্ৰকাশ্য আৰু গোপনীয় পথ আৰু অলসতাৰ পৰা আঁতৰি যোৱা আৰু মনত ৰাখিবা মুত্তাকীয়ে সদায় সুফল লাভ কৰি থাকে। যেনেকৈ আল্লাহ কৈছে وَالْعَاقِبَةُ لِلْمُتَّقِينَ সেয়ে মুত্তাকী হোৱাৰ চেষ্টা কৰা, নিশ্চয় সফল মুত্তাকী সকলে লাভ কৰিব।

আল্লাহ তায়লা আমাক প্ৰকৃত আহমদী হোৱাৰ আৰু তেখেত (আঃ) ৰ শিক্ষাৰ ওপৰত চলাৰ তৌফিক দান কৰক। আমি যেন খোদা তায়লাৰ হ'ক আদায় আৰু সন্তুষ্টি অৰ্জন কৰোঁতা হওঁ। নিজৰ কৰ্মৰ সংশোধন আৰু নিৰ জ্ঞান বৃদ্ধিৰ ফালে চেষ্টা কৰোঁতা হওঁ। আল্লাহ তায়লাৰ ভৃত্যৰ হ'ক আদায় কৰোঁতা হওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; বৰ্তমানে নিশেষকৈ পাকিস্থানৰ অৱস্থা সম্পৰ্কে দোৱা কৰিব আৰু পাকিস্থানী সকলেও নিজৰ বাবে বহুত দোৱা কৰা উচিত। আল্লাহ তেওঁলোকক সকলো বিপদৰ পৰা বিৰাপদ ৰাখক। সাধাৰণতে দেশত যি অন্তৰ কলহ আৰম্ভ হৈছে আল্লাহ তায়লা সেই সমস্যাৰ পৰা দেশখনক নিৰাপদ ৰাখক। গোটা পৃথিৱীখনৰ কল্যাণৰ বাবে দোৱা কৰক। বৰ্তমানে বিশ্বখন বেগেৰে যুদ্ধৰ ফালে গতি কৰিছে। ৰুছ আৰু আমেৰিকা দুয়ো দেশেই সাজুহোৱাত ব্যাস্ত হৈ পৰিছে। এওঁলোকে আচলতে নিজৰ-নিজৰ প্ৰতিপত্তি প্ৰতিষ্ঠা কৰিব বিচাৰে আৰু নাম দিয়ে যে আমি নিপীড়িত সকলৰ অধিকাৰ সাব্যস্ত কৰিব বিচাৰো। এওঁলোকে এই অধিকাৰ সাব্যস্ত কৰাৰ নামত মুছলামন দেশ সমুহ ধংস কৰিব বিচাৰিছে। গতিকে আল্লাহ তায়লা মুছলমান সকলক বিবেক বুদ্ধি দান কৰক আৰু এওঁলোকে বেলেগৰ সহায় পোৱাৰ সলনি নিজে সিদ্ধান্ত লব পৰা হওঁক। নিজৰ দেশৰ জনগনৰ অধিকাৰ প্ৰদান কৰোঁতা হওঁক। জনগনে চৰকাৰৰ হ'ক আদায় কৰোঁতা হওঁক। ইছলামৰ নামত গঠিত হোৱা আতংকবাদী দল সমুহক আল্লাহ তায়লা গ্ৰেপ্তাৰত লওঁক। আল্লাহ তায়লা সকলোকে যুগৰ ইমামক মান্য কৰাৰ তৌফিক দান কৰক। কাৰণ এতিয়া ইয়াৰ অবিহনে আৰু বেলেগ উপায় নাই। আল্লাহ তায়লা মুছলমান সকলক ইছলামৰ প্ৰকৃত শিক্ষা অনুযায়ী প্ৰেম ভাল পোৱা আৰু ভাতৃত্ববোধৰ শিক্ষা অৰ্জন কৰোঁতা বনাওঁক। আল্লাহ তায়লাৰ হ'ক আদায় কৰোঁতা হওঁক। আমিন

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 13 April 2018**

**BOOK POST (PRINTED MATTER)**

**To**

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

**From: Office of the Ahmadiyya Muslim Jama'at, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**